# অধ্যায় ১১ ঃ ৰাম মনোহৰ লোহিয়া

## অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ সমাজবাদ আৰু গান্ধীবাদ সম্পৰ্কীয় ধাৰণা
১১.৩.১ নতুন সমাজবাদৰ ধাৰণা
১১.৩.২ লোহিয়াৰ ওপৰত গান্ধীবাদৰ প্ৰভাৱ
১১.৩.৩ গান্ধীবাদ আৰু সমাজবাদৰ সমন্বয়
১১.৩.৪ লোহিয়াৰ সপ্ত বিপ্লৱৰ ধাৰণা
১১.৩.৫ সৰ্বোদয়, সাম্যবাদ আৰু নেহৰুবাদী সমাজবাদৰ সৈতে পাৰ্থক্য
১১.৪ লোহিয়াৰ আন্তঃৰাষ্ট্ৰীয় সমাজৰ ধাৰণা
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১১.৬ অগ্ৰগতিৰ খতিয়ান
১১.৭ আৰ্হি প্ৰশ্ন

## ১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- লোহিয়াৰ ৰাজনৈতিক ধাৰণাসমূহ বৰ্ণনা কৰিব পাৰিব।
- লোহিয়াই সমাজবাদৰ সমস্যাসমূহ কেনেকৈ নিৰ্ধাৰণ কৰিছিল আৰু ভাৰতীয় ধাৰাৰ সৈতে খাপ খুৱাবলৈ কেনেকৈ ইয়াক সংশোধন কৰিছিল, সেয়া ব্যাখ্যা কৰিব পাৰিব।
- আধুনিক আৰু গুৰুত্বপূৰ্ণ ৰাজনৈতিক চিন্তাবিদ হিচাপে লোহিয়াৰ প্ৰাসংগিকতা বিশ্লেষণ কৰিব পাৰিব।

## ১১.২ পৰিচয়

ৰাম মনোহৰ লোহিয়া আধুনিক ভাৰতীয় চিন্তাবিদসকলৰ ভিতৰত অন্যতম মৌলিক চিন্তাবিদ হিচাপে জনা যায়। সমাজবাদী চিন্তাধাৰালৈ তেওঁৰ গুৰুত্বপূৰ্ণ অৱদানৰ বাবে ভাৰতীয় বৌদ্ধিক জগতত তেওঁ এক বিশেষ স্থান অধিকাৰ কৰে। লোহিয়াক একে সময়তে এজন তাত্ত্বিক চিন্তাবিদ, সমাজকৰ্মী আৰু তেওঁৰ যুগৰ এজন বিশিষ্ট ৰাজনৈতিক নেতা হিচাপে চিহ্নিত কৰিব পাৰি। ৰাম মনোহৰ লোহিয়াৰ জন্ম ২৩ মাৰ্চৰ ১৯১০ চনত উত্তৰ প্ৰদেশৰ আকবৰপুৰত হৈছিল আৰু ১১ অক্টোবৰ ১৯৬৭ চনত তেওঁ পৰলোকগামী হয়। তেওঁ বেনাৰস হিন্দু বিশ্ববিদ্যালয় আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা লাভ কৰে আৰু পাছত বার্লিন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী অৰ্জন কৰে।

লোহিয়াৰ জীৱন বৃত্তান্ত মহাত্মা গান্ধী আৰু কার্ল মার্ক্সৰ চিন্তাধাৰাৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। তেওঁ কেৱল এজন তাত্ত্বিক চিন্তাবিদেই নহয়, ৰৱঞ্চ এজন সক্ৰিয় ৰাজনৈতিক কৰ্মী আছিল। জাতীয় আৰু আন্তৰ্জাতীয় জীৱনত, লোহিয়াৰ অৱদান গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে - ব্ৰিটিছৰ বিৰুদ্ধে, দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তেওঁ বহু সময়ত ভাৰতীয় লোকসকলক সচেতন আৰু সংগঠিত কৰিছিল; তেওঁ "Association of European Indians" প্ৰতিষ্ঠা কৰে, ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে আৰু ১৯৩৪ চনত কংগ্ৰেছ সমাজবাদী পার্টি প্ৰতিষ্ঠাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে; ১৯৩৬ চনত তেওঁ অল ইণ্ডিয়া কংগ্ৰেছ কমিটিৰ সম্পাদক হিচাপে নিযুক্ত

হয়। স্বাধীনতা আন্দোলনত তেওঁ সক্রিয়ভাৱে অংশগ্রহণ কৰাৰ লগতে আৰু দেশৰ বাবে বিভিন্ন ৰাজনৈতিক কার্যকলাপৰ বাবে প্রায় বিশবাৰ কাৰাবাস ভোগ কৰিছিল। সত্যাগ্রহ আৰু স্বাধীনতা সম্পর্কীয় তেওঁৰ ৰচনাসমূহৰ জৰিয়তে, ভাৰতীয় জনসাধাৰণৰ মাজত সচেতনতা আৰু জাগৰণ সৃষ্টিৰ ক্ষেত্রত তেওঁৰ অৱদান অপৰিসীম।

স্বাধীন ভাৰতে তেওঁৰ দেশসেৰাৰ নিষ্ঠাৰ- সাক্ষী আছিল। তেওঁ পানিয়াৰী নদীত এখন বান্ধ নির্মাণৰ উদ্যোগ গ্রহণ কৰিছিল, যাক পাছত 'লোহিয়া সাগৰ বান্ধ' বুলি জনা যায়। ভাৰতীয় কৃষকৰ সমস্যাসমূহ সমাধানৰ উদ্দেশ্যে তেওঁ 'হিন্দ কিষাণ পঞ্চায়ত' প্রতিষ্ঠা কৰে।

তেওঁৰ উল্লেখযোগ্য গ্রন্থসমূহৰ ভিতৰত- India, China and Northern Frontiers, The Caste System, Hydrabad, Guilty Men of India's Partition, Foreign Policy, Marx, Gandhi and Socialism, আৰু Fragments of a World Mind বিশেষভাৱে উল্লেখযোগ্য।

## ১১.৩ লোহিয়াৰ সমাজবাদ আৰু গান্ধীবাদ সম্পর্কীয় ধাৰণা

ৰাম মনোহৰ লোহিয়া ভাৰতত বিকেন্দ্রীকৃত বা "নতুন সমাজবাদ"ৰ অন্যতম প্রধান সমর্থক আছিল। তেওঁৰ মতে সমাজবাদ ইউৰোপীয় বা ছোভিয়েট ৰাজনৈতিক অভিজ্ঞতাৰ পৰা হুবহু গ্রহণ কৰা উচিত নহয়; বৰঞ্চ ভাৰতীয় সমাজৰ বাস্তৱ পৰিস্থিতিৰ সৈতে সামঞ্জস্য ৰাখি ইয়াক পুনর্গঠন কৰা প্রয়োজন। তেওঁৰ বিখ্যাত গ্রন্থ Marx, Gandhi and Socialismত লোহিয়াই যুক্তি আগবঢ়াইছিল যে সত্য সমাজবাদৰ ভিত্তি হৈছে সকলো মানুহ সমান— কেৱল এখন দেশৰ ভিতৰতেই নহয়, বৰঞ্চ সকলো দেশৰ মাজতো সমতা বিদ্যমান হ'ব লাগিব। তেওঁৰ বিশ্বাস অনুসাৰে এই সমতাই বিশ্বজুৰি সকলো মানুহৰ বাবে নূন্যতম জীৱনমান নিশ্চিত কৰিব লাগিব-তেতিয়াহে তাক প্রকৃত সমতা বুলি গণ্য কৰিব পৰা যায়।

লোহিয়াৰ দৃষ্টিত ভাৰতত সমাজবাদ গান্ধীয় দর্শনৰ সৈতে অবিচ্ছেদ্যভাৱে সংযুক্ত আছিল। তথাপিও তেওঁ অনুভৱ কৰিছিল যে সমতা স্থাপন কৰিবলৈ গান্ধীবাদক অধিক স্পষ্ট অর্থনৈতিক কার্যসূচীৰ প্রয়োজন আছে। সেয়েহে তেওঁৰ ৰাজনৈতিক চিন্তাধাৰাই গান্ধীয় নৈতিক মূল্যবোধ আৰু সমাজবাদী পুনর্গঠনৰ এক সৃষ্টিশীল সমন্বয় প্রতিফলিত কৰে, যাৰ উদ্দেশ্য আছিল জাতিভিত্তিক বৈষম্য, লিংগ অসমতা, গ্রাম্য দাৰিদ্র্য আৰু অর্থনৈতিক শোষণ দূৰ কৰা।

### ১১.৩.১ নতুন সমাজবাদৰ ধাৰণা

লোহিয়াই পশ্চিমীয়া সমাজবাদ আৰু ছোভিয়েট সাম্যবাদৰ অন্ধ অনুকৰণক তীব্র সমালোচনা কৰিছিল। তেওঁৰ মতে এই ধাৰণাসমূহ ইউৰো-কেন্দ্রিক, গতিকে ই ভাৰতৰ শ্রমনির্ভৰ তথা গ্রামভিত্তিক সমাজৰ বাবে উপযুক্ত নহয়। তেওঁ বিশ্বাস কৰিছিল যে ভাৰতৰ উন্নয়নৰ বাবে এনে এটা আদর্শৰ প্রয়োজন, যিয়ে গ্রামাঞ্চলত বসবাস কৰা লাখ লাখ মানুহৰ বাবে কর্মসংস্থাপন সৃষ্টি কৰিব পাৰে। নতুন সমাজবাদৰ ধাৰণাৰ অধীনত তেওঁ ক্ষুদ্র উদ্যোগ আৰু গৃহভিত্তিক উদ্যোগৰ বিকাশ, বৃহৎ শিল্পায়নৰ পৰিবর্তে সৰু যন্ত্রৰ ব্যৱহাৰ, অর্থনৈতিক ক্ষমতাৰ বিকেন্দ্রীকৰণ আৰু সম্পদৰ ন্যায়সংগত বণ্টনৰ পক্ষে মত প্রকাশ কৰিছিল।

লোহিয়াৰ মতে বৃহৎ উদ্যোগে সম্পদ সৃষ্টি কৰিলেও সেয়া সাধাৰণতে অল্পসংখ্যক লোকৰ হাতত আৰু নগৰ অঞ্চলত কেন্দ্রীভূত হয়। ইয়াৰ বিপৰীতে ক্ষুদ্র আৰু গৃহভিত্তিক উদ্যোগে স্থানীয় পর্যায়ত কর্মসংস্থাপন সৃষ্টি কৰে। এই উদ্যোগসমূহে গাঁওসমূহক অর্থনৈতিকভাৱে আত্মনির্ভৰশীল কৰি তোলে আৰু গ্রামাঞ্চলৰ মানুহৰ নগৰলৈ স্থানান্তৰণ কমায়। লোহিয়াৰ মতে উৎপাদন যদি গাঁওতেই সংঘটিত হয়, তেন্তে দাৰিদ্র্য আৰু নিবনুৱা সমস্যা কার্যকৰীভাৱে হ্রাস কৰিব পৰা যাব।

লোহিয়াই প্রযুক্তি বা যন্ত্রৰ বিৰোধিতা কৰা নাছিল। কিন্তু তেওঁ এনে "বৃহৎ যন্ত্র"ৰ বিৰোধিতা কৰিছিল যিয়ে মানুহৰ শ্রমৰ ঠাই লয় আৰু কর্মসংস্থাপনহীনতা বৃদ্ধি কৰে। তেওঁ "সৰু যন্ত্র"ৰ ধাৰণাক সমর্থন কৰিছিল, যিয়ে উৎপাদনশীলতা বৃদ্ধি কৰে যদিও শ্রমিকসকলক স্থানচ্যুত নকৰে। তেওঁৰ দৃষ্টিত প্রযুক্তিয়ে মানুহৰ প্রয়োজন পূৰণ কৰা উচিত আৰু কর্মসংস্থাপন সংৰক্ষণ কৰা উচিত। কর্মসংস্থাপনহীনতা সৃষ্টি কৰা যিকোনো ধাৰণাৰ লোহিয়া বিৰোধী আছিল।

লোহিয়াই অনুভৰ কৰিছিল যে অর্থনৈতিক ক্ষমতা ডাঙৰ নগৰসমূহ বা অল্পসংখ্যক উদ্যোগপতিৰ হাতত কেন্দ্রীভূত হৈ থাকিব নালাগে। তেওঁ গাঁও আৰু সৰু চহৰসমূহত অর্থনৈতিক কার্যকলাপ বিস্তাৰৰ পক্ষে মত আগবঢ়াইছিল, যাতে সম্পদ আৰু সিদ্ধান্ত গ্রহণৰ ক্ষমতা জনসাধাৰণৰ হাততেই থাকে। লোহিয়াৰ চিন্তা আছিল যে এনে বিকেন্দ্রীকৰণে অসমতা হ্রাস কৰাৰ লগতে স্থানীয় সমাজসমূহক শক্তিশালী কৰিব।

লোহিয়াৰ মতে সমাজবাদ মানে কেৱল সম্পদ উৎপাদন কৰা নহয়, বৰঞ্চ ইয়াৰ ন্যায়সংগত বণ্টন নিশ্চিত কৰা। তেওঁ ভূমি সংস্কাৰ, ন্যায্য মজুৰি আৰু সামাজিক ন্যায় নিশ্চিত কৰিবলৈ ৰাষ্ট্রীয় হস্তক্ষেপৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান হ্রাস কৰাটো এখন ন্যায়ভিত্তিক সমাজ গঢ়ি তোলাৰ বাবে অত্যন্ত প্রয়োজনীয় বুলি তেওঁ মত প্রকাশ কৰিছিল।

## ১১.৩.২ লোহিয়াৰ ওপৰত গান্ধীবাদৰ প্রভাৱ

ৰাম মনোহৰ লোহিয়াই মুক্তভাৱে স্বীকাৰ কৰিছিল যে ভাৰতত সমাজবাদৰ মূল উৎস মহাত্মা গান্ধীৰ চিন্তা আৰু কার্যকলাপত নিহিত। যদিও লোহিয়াই নিজস্ব আৰু মৌলিক সমাজবাদী ধাৰণা এটা গঢ়ি তুলিছিল, তথাপিও তেওঁ সদায় উৎসাহ দি কৈছিল যে গান্ধীৰ নৈতিক দৃষ্টিভংগী, সংগ্রামৰ পদ্ধতি আৰু নিপীড়িত লোকসকলৰ প্রতি সহানুভূতিশীল মনোভাৱেই ভাৰতীয় সমাজবাদৰ নৈতিক ভিত্তি প্রদান কৰে, আৰু গান্ধীবাদী এই ভাৱধাৰাই ভাৰতীয় সমাজবাদ গঢ় লোৱা উচিত।লোহিয়াই গান্ধীক কেৱল মাত্র এজন ৰাজনৈতিক নেতা হিচাপে নহয়, ভাৰতীয় ৰাজনীতিৰ স্বৰূপ পৰিৱর্তন কৰা এক শক্তিশালী নৈতিক শক্তি আৰু ভেটি হিচাপে গান্ধীবাদক গভীৰভাৱে সন্মান কৰিছিল।

লোহিয়াৰ মতে গান্ধীবাদ কোনো স্থিৰ মতবাদ নহয়; ই এক জীৱন্ত আৰু নমনীয় দর্শন, যাক সামাজিক পৰিৱর্তনৰ প্রয়োজন অনুসৰি ৰূপান্তৰ কৰিব পাৰি। তেওঁ বিশ্বাস কৰিছিল যে গান্ধীৰ নীতি আৰু পদ্ধতিসমূহে সমাজবাদক অধিক মানৱীয়, নৈতিক আৰু অহিংস চৰিত্র প্রদান কৰিব পাৰে-যিয়ে এখন নতুন সমাজৰ দিশ ল'ব পাৰিব।

গান্ধীৰ পৰা লোহিয়াই লাভ কৰা অন্যতম গুৰুত্বপূর্ণ প্রভাৱ আছিল অহিংসাৰ নীতি। গান্ধীৰ দৰে লোহিয়াও বিশ্বাস কৰিছিল যে হিংসাই অৱশেষত ঘৃণা, প্রতিশোধ আৰু ধ্বংসৰ সৃষ্টি কৰে, যিয়ে স্থায়ী আৰু প্রগতিশীল সামাজিক পৰিৱর্তন আনিব নোৱাৰে। তেওঁৰ মতে হিংসাত্মক বিপ্লৱে শাসন ব্যৱস্থা পতন ঘটাব পাৰে যদিও বহু সময়ত এটা শোষণ ব্যৱস্থাৰ ঠাইত আন এটা শোষণ ব্যৱস্থা স্থাপন কৰে। সেয়েহে লোহিয়াই সত্যাগ্রহ, নাগৰিক অবাধ্যতা, শান্তিপূর্ণ প্রতিবাদ আৰু অসহযোগ আন্দোলনৰ দৰে অহিংস পদ্ধতিক ৰাজনৈতিক আৰু সামাজিক পৰিৱর্তনৰ ফলপ্রসূ মাধ্যম হিচাপে সমর্থন কৰিছিল। তেওঁ নাগৰিক অবাধ্যতাক "হিংসাত্মক বিপ্লৱৰ বিৰুদ্ধে বিপ্লৱ" বুলি অভিহিত কৰিছিল, অর্থাৎ মানৱীয় মূল্যবোধ ধ্বংস নকৰাকৈ অন্যায়ৰ বিৰুদ্ধে সংগ্রাম কৰাৰ শক্তি ইয়াত নিহিত আছে। তেওঁৰ বাবে অহিংসা দুর্বলতাৰ প্রতীক নহয়, বৰঞ্চ জনসাধাৰণৰ বিবেক জাগ্রত কৰা এক শক্তিশালী নৈতিক আৰু ৰাজনৈতিক অস্ত্র।

লোহিয়া গান্ধীৰ গ্রাম স্বৰাজ বা গাঁও-স্বশাসনৰ ধাৰণাৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত হৈছিল। তেওঁৰ মতে ক্ষমতা যদি ওপৰৰ স্তৰত অল্পসংখ্যক লোকৰ হাতত কেন্দ্রীভূত হৈ থাকে, তেন্তে প্রকৃত

গণতন্ত্ৰ কাৰ্যকৰীভাৱে গতি কৰিব নোৱাৰে। তেওঁৰ দৃষ্টিত গণতন্ত্ৰৰ আৰম্ভণি হ'ব লাগে তৃণমূল পৰ্যায়ৰ পৰা— য'ত মানুহে ৰাষ্ট্ৰৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। তেওঁ গাঁওসমূহক নিজৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰা স্বশাসিত একক হিচাপে গঢ়ি তোলাৰ পক্ষে মত প্ৰকাশ কৰিছিল। এনে বিকেন্দ্ৰীকৰণে ক্ষমতাৰ কেন্দ্ৰীয়কৰণ ৰোধ কৰাৰ লগতে আমলাতান্ত্ৰিক আধিপত্য হ্ৰাস কৰি নাগৰিকসকলক ক্ষমতাশালী কৰি তুলিব বুলি তেওঁ বিশ্বাস কৰিছিল। লোহিয়াৰ মতে স্বাধীন ভাৰতত জনমুখী গণতন্ত্ৰ গঢ়ি তোলাটো নিতান্তই এক অত্যাৱশ্যক পদক্ষেপ।

লোহিয়াৰ জীৱনত ৰাজনীতিত নৈতিকতাৰ ওপৰত গুৰুত্ব দিয়াটো গান্ধীবাদৰ প্ৰভাৱৰ আন এটা গুৰুত্বপূৰ্ণ দিশ আছিল। লোহিয়াৰ মতে ৰাজনীতি কেৱল ক্ষমতা লাভ, কৌশল বা ব্যক্তিগত লাভৰ লক্ষ্যৰে পৰিচালিত হ'ব নালাগে; বৰঞ্চ সততা, নৈতিকতা আৰু সামাজিক কল্যাণৰ প্ৰতিশ্ৰুতিৰ ওপৰত ভিত্তি কৰি চলা উচিত। তেওঁ যুক্তি দিছিল যে ৰাজনীতিয়ে যদি নৈতিক ভিত্তি হেৰুৱায়, তেন্তে ই দুৰ্নীতি, শোষণ আৰু অন্যায়ৰ সৃষ্টি কৰে। সেয়েহে তেওঁ ৰাজনৈতিক নেতাসকল নৈতিক নীতি আৰু সমাজৰ প্ৰতি দায়িত্ববোধৰ দ্বাৰা পৰিচালিত হোৱা উচিত বুলি জোৰ দিছিল। এই নৈতিক দিশেই তেওঁৰ সমাজবাদক কেৱল ভৌতিকবাদী মতবাদৰ পৰা পৃথক কৰি তোলে।

গান্ধীৰ সৰল জীৱনযাপন আৰু স্থানীয় উৎপাদনৰ ধাৰণাৰ পৰা অনুপ্ৰাণিত হৈ লোহিয়াই ৰাষ্ট্ৰীয় উন্নয়নত সৰলতা আৰু আত্মনিৰ্ভৰশীলতাৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে বিদেশী সামগ্ৰীৰ ওপৰত অধিক নিৰ্ভৰশীলতা আৰু অতিমাত্ৰিক ভোগবাদে এখন দেশৰ অৰ্থনীতি আৰু নৈতিক শক্তি দুয়োটাই দুৰ্বল কৰে। স্থানীয় উদ্যোগ, স্বদেশী উৎপাদন আৰু আত্মনিৰ্ভৰশীল সমাজ গঢ়ি তোলাৰ জৰিয়তে তেওঁ অৰ্থনৈতিক নিৰ্ভৰশীলতা হ্ৰাস আৰু স্থায়ী উন্নয়ন উৎসাহিত কৰিবলৈ চেষ্টা কৰিছিল। এই ধাৰণাই তেওঁৰ বিকেন্দ্ৰীকৃত সমাজবাদৰ বিস্তৃত দৃষ্টিভংগীৰ সৈতে সামঞ্জস্য ৰাখে, য'ত গাঁও আৰু সৰু সমাজসমূহ অৰ্থনৈতিক জীৱনৰ কেন্দ্ৰীয় ভূমিকা পালন কৰে।

## ১১.৩.৩ গান্ধীবাদ আৰু সমাজবাদৰ সমন্বয়

গান্ধীয় পদ্ধতি আৰু সমাজবাদী লক্ষ্যসমূহৰ মাজত সমন্বয় সাধনৰ প্ৰচেষ্টাতেই লোহিয়াৰ মৌলিকতা স্পষ্টভাৱে প্ৰকাশ পায়। তেওঁৰ মতে গান্ধীয় নৈতিক আৰু শান্তিপূৰ্ণ সংগ্ৰাম পদ্ধতিসমূহ কেৱল ৰাজনৈতিক প্ৰতিবাদৰ মাধ্যমেই নহয়; এইসমূহ হৈছে সমতা আৰু ন্যায়ৰ দৰে সমাজবাদী আদৰ্শ বাস্তৱায়িত কৰাৰ ফলপ্ৰসূ উপায় হিচাপেও ব্যৱহাৰ কৰিব পাৰি। লোহিয়াৰ দৃষ্টিত সমাজবাদ লাভৰ পথ ঘৃণা বা হিংসাৰ ওপৰত নিৰ্ভৰশীল নহয়; বৰঞ্চ ই নৈতিক দৃঢ়তা, জনসাধাৰণৰ অংশগ্ৰহণ আৰু গণতান্ত্ৰিক কাৰ্যকলাপৰ ওপৰত নিৰ্ভৰশীল।

সমাজ পুনৰ্গঠনৰ বাবে হিংসাত্মক বিপ্লৱক সমৰ্থন কৰা সাম্যবাদী পদ্ধতিৰ বিপৰীতে লোহিয়াই দৃঢ়ভাৱে মত প্ৰকাশ কৰিছিল যে অৰ্থনৈতিক ন্যায় আৰু সামাজিক পৰিৱৰ্তন অহিংস আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ মাধ্যমেই লাভ কৰিব পাৰি। তেওঁৰ মতে অহিংসা এনে এক শক্তিশালী পদ্ধতি, যিয়ে মানৱীয় মূল্যবোধ বা সামাজিক সামঞ্জস্য ধ্বংস নকৰাকৈ গভীৰ আৰু দীৰ্ঘস্থায়ী পৰিৱৰ্তন আনিব পাৰে।

লোহিয়াই লগতে যুক্তি দিছিল যে যি ব্যৱস্থাত ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা অত্যধিকভাৱে কেন্দ্ৰীভূত হৈ থাকে, তাত স্বাধীনতা আৰু সমতা বিকশিত হ'ব নোৱাৰে। ৰাষ্ট্ৰ বা উদ্যোগিক প্ৰতিষ্ঠান-যিয়েই নহওক-অল্পসংখ্যক লোকৰ হাতত ক্ষমতা কেন্দ্ৰীভূত হ'লে ব্যক্তিগত স্বাধীনতা বিপন্ন হয় আৰু অসমতা বৃদ্ধি পায়। সেয়েহে তেওঁ বিকেন্দ্ৰীকৃত গণতন্ত্ৰৰ পক্ষে দৃঢ় সমৰ্থন জনাইছিল, য'ত তৃণমূল পৰ্যায়ত জনসাধাৰণৰ মাজত ক্ষমতা বিতৰণ হ'ব আৰু বিস্তৃত অংশগ্ৰহণ নিশ্চিত কৰি সামাজিক সামঞ্জস্য বজাই ৰখা সম্ভৱ হ'ব।

লোহিয়াৰ চিন্তাধাৰাৰ আন এটা বৈশিষ্ট্য আছিল সমাজবাদে জীৱনৰ ভৌতিক আৰু নৈতিক দুয়োটা দিশক সমানভাৱে সম্বোধন কৰিব লাগিব বুলি তেওঁৰ বিশ্বাস। তেওঁ সমাজবাদক আধ্যাত্মিকতা আৰু ভৌতিকতাৰ সমন্বয় হিচাপে ব্যাখ্যা কৰিছিল। সমাজবাদে একেদৰে দাৰিদ্র্য আৰু অসমতা দূৰ কৰাৰ লগতে ব্যক্তিত্বৰ উন্নয়ন আৰু সমাজত নৈতিক মূল্যবোধৰ বিকাশ সাধন কৰাৰ লক্ষ্য ৰাখিব লাগিব। তেওঁৰ মতে প্রকৃত সামাজিক সংস্কাৰৰ বাবে কেৱল অর্থনৈতিক পুনর্গঠন যথেষ্ট নহয়; নৈতিক উন্নয়নো সমানেই অত্যাৱশ্যক।

লোহিয়াই ব্যক্তি আৰু সমাজৰ মাজত কোনো দ্বন্দ্ব আছে বুলি ধাৰণা গ্রহণ কৰা নাছিল। সামাজিক পৰিৱর্তনে ব্যক্তিক ক্ষমতাশালী কৰি তুলিব লাগে আৰু একে সময়তে দায়িত্বশীল ব্যক্তিসকলে এখন ন্যায়ভিত্তিক আৰু সুষম সমাজ গঢ়ি তোলাত অৱদান আগবঢ়াব লাগে।

## ১১.৩.৪ লোহিয়াৰ "সপ্ত ক্রান্তি" ধাৰণা

লোহিয়াৰ "সপ্ত ক্রান্তি" ধাৰণাই তেওঁৰ নতুন সমাজবাদৰ বিস্তৃত ব্যাখ্যা আগবঢ়ায়। এই সাতটা বিপ্লৱৰ জৰিয়তে লোহিয়াই সমাজবাদৰ অর্থ কেৱল অর্থনৈতিক পুনর্গঠনৰ মাজতে সীমাবদ্ধ নাৰাখি সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু নৈতিক পৰিৱর্তনলৈও বিস্তাৰ কৰিছিল। তেওঁৰ মতে সকলো ধৰণৰ অন্যায় আৰু বৈষম্যতাক একেলগে প্রত্যাহ্বান জনালেহে প্রকৃত সমতা স্থাপন কৰা সম্ভৱ। তেওঁৰ সপ্ত ক্রান্তিৰ গুৰুত্বপূর্ণ দিশসমূহ তলত উল্লেখ কৰা হ'ল—

১) **পুৰুষ আৰু নাৰীৰ মাজত সমতা ঃ** লোহিয়াই জীৱনৰ সকলো ক্ষেত্র যেনে সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিকত নাৰীৰ সম অধিকাৰ, মর্যাদা আৰু সুযোগৰ দৃঢ় সমর্থন কৰিছিল। তেওঁৰ মতে লিংগ বৈষম্য ভাৰতীয় সমাজত গভীৰভাৱে প্রোথিত আৰু ই সমাজৰ উন্নয়নৰ এক বৃহৎ বাধা স্বৰূপে থিয় হৈছে। নাৰীসকল যদি অধীনস্থ অৱস্থাতেই থাকি যায়, তেন্তে কোনো সমাজক সভ্য বা গণতান্ত্রিক বুলি ক'ব পৰা নাযায়। সেয়েহে নাৰীমুক্তি সামাজিক পৰিৱর্তনৰ এক মৌলিক চর্ত।

২) **জাতিভিত্তিক বৈষম্যৰ উচ্ছেদ ঃ** লোহিয়াই জাতি ব্যৱস্থাক ভাৰতীয় গণতন্ত্র আৰু সামাজিক সমতাৰ অন্যতম ডাঙৰ বাধা হিচাপে গণ্য কৰিছিল। তেওঁৰ মতে জাতিভিত্তিক শ্রেণীবিন্যাসে ব্যক্তিৰ মর্যাদা হৰণ কৰাৰ লগতে ঐক্যবদ্ধ সমাজ গঢ়ি উঠাত বাধা সৃষ্টি কৰে। লোহিয়াৰ মতে ভাৰতত জাতিভিত্তিক বৈষম্য দূৰ কৰাটো শ্রেণীসংগ্রামতকৈও অধিক জৰুৰী যিয়ে শিপাই শিপাই ভাৰতীয় জাতীয় জীৱনত নেতিবাচক প্রভাৱ পেলাইছে। সেয়েহে লোহিয়াই সমতা আৰু মানৱ মর্যাদা নিশ্চিত কৰিবলৈ জাতিভিত্তিক বিভাজনৰ সম্পূর্ণ উচ্ছেদৰ আহ্বান জনাইছিল।

৩) **বর্ণ ভিত্তিক বৈষম্যৰ অন্ত ঃ** লোহিয়াই বর্ণ বা গাৰ ৰঙৰ ওপৰত ভিত্তি কৰি কৰা সকলো ধৰণৰ বৈষম্যতাৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে এনে পক্ষপাতিত্বে মানৱ সমাজক বিভক্ত কৰে আৰু বিশ্ব পর্যায়ত অন্যায় বৃদ্ধি কৰে। এই বিপ্লৱে তেওঁৰ মানৱতাবাদী দৃষ্টিভংগী আৰু সকলো মানুহৰ মাজত সমতাৰ বিশ্বাস প্রতিফলিত কৰে।

৪) **ঔপনিবেশিকতা আৰু সাম্রাজ্যবাদৰ পৰা জাতীয় স্বাধীনতা ঃ** লোহিয়াই বিদেশী আধিপত্যৰ পৰা ৰাজনৈতিক স্বাধীনতাক প্রকৃত সামাজিক আৰু অর্থনৈতিক উন্নয়নৰ বাবে অত্যাৱশ্যক বুলি গণ্য কৰিছিল। তেওঁৰ মতে ঔপনিবেশিক শাসনে দেশসমূহক শোষণ কৰি উন্নয়ন ব্যাহত কৰে আৰু জাতীয় জীৱনত নেতিবাচক প্রভাৱ পেলাই। সেয়েহে ন্যায়ভিত্তিক আৰু আত্মনির্ভৰ সমাজ গঢ়ি তুলিবলৈ সাম্রাজ্যবাদী নিয়ন্ত্রণৰ পৰা মুক্তি লাভ অত্যাৱশ্যক।

৫) **অর্থনৈতিক সমতা ঃ** ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান হ্রাস কৰাটো লোহিয়াৰ সমাজবাদৰ কেন্দ্রীয় লক্ষ্য আছিল। তেওঁ এনে নীতিৰ সমর্থন কৰিছিল যিয়ে সম্পদ, সুযোগ আৰু সম্পত্তিৰ ন্যায়সংগত

বণ্টন নিশ্চিত কৰিব পাৰিব । তেওঁৰ মতে অৰ্থনৈতিক সমতা মানে কেৱল উৎপাদন বৃদ্ধি নহয়; ৰৰঞ্চ উন্নয়নৰ সুফল সমাজৰ সকলো শ্রেণীৰ লোকলৈ সাধাৰণ প্রয়োজনীয়তা নিশ্চিত কৰাটোৱে হৈছে অৰ্থনৈতিক সমতা।

৬) **হিংসাত্মক বিপ্লৱৰ বিৰুদ্ধে নাগৰিক অবাধ্যতা ঃ** লোহিয়াই হিংসাত্মক বিদ্রোহৰ পৰিৱর্তে শান্তিপূর্ণ প্রতিবাদ আৰু সংস্কাৰৰ পক্ষে মত প্রকাশ কৰিছিল। গান্ধীয় পদ্ধতিৰ পৰা অনুপ্রাণিত হৈ তেওঁ নাগৰিক অবাধ্যতাক সামাজিক সামঞ্জস্য নষ্ট নকৰাকৈ অন্যায়ৰ বিৰুদ্ধে প্রতিবাদ কৰাৰ শক্তিশালী মাধ্যম বুলি বিবেচনা কৰিছিল। তেওঁ ইয়াক "হিংসাত্মক বিপ্লৱৰ বিৰুদ্ধে বিপ্লৱ" বুলি অভিহিত কৰিছিল, যিয়ে নৈতিক শক্তিৰ জৰিয়তে সমাজত ইতিবাচক পৰিৱর্তন আৰু উন্নয়ন আনিব পাৰে।

৭) **ব্যক্তিগত চিন্তাৰ স্বাধীনতা ঃ** লোহিয়াই ব্যক্তিক অন্যায় ৰাজনৈতিক ব্যৱস্থা, সামাজিক চাপ অথবা কঠোৰ সামূহিক মতবাদৰ বলপ্রয়োগৰ পৰা মুক্ত হোৱাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। চিন্তা আৰু মত প্রকাশৰ স্বাধীনতা গণতন্ত্র আৰু ব্যক্তিগত মর্যাদাৰ বাবে অত্যন্ত জৰুৰী। তেওঁৰ মতে প্রকৃত সমাজবাদে সামাজিক সমতাৰ লগতে ব্যক্তিগত স্বাধীনতাও সুৰক্ষিত কৰিব লাগিব।

## ১১.৩.৫ সর্বোদয়, সাম্যবাদ আৰু নেহৰুবাদী সমাজবাদৰ সৈতে পার্থক্য

লোহিয়াই তেওঁৰ কর্মৰাজিৰ জৰিয়তে তেওঁৰ চিন্তাধাৰাক সেই সময়ত প্রচলিত অন্যান্য মতবাদসমূহৰ পৰা স্পষ্টভাৱে পৃথক কৰি দেখুৱাইছিল। তেওঁ সর্বোদয় মতবাদক গ্রহণ কৰা নাছিল, কাৰণ তেওঁৰ মতে এই মতবাদে সামাজিক আৰু অৰ্থনৈতিক গঠনমূলক পৰিৱর্তনৰ ওপৰত পর্যাপ্ত গুৰুত্ব আৰোপ কৰা নাছিল।

সাম্যবাদৰ ক্ষেত্রতো লোহিয়াই অসম্মতি প্রকাশ কৰিছিল। কাৰণ যদিও মার্ক্সবাদৰ কিছুমান দিশ তেওঁ মূল্যায়ন কৰিছিল; তেওঁ কেন্দ্রীকৰণ, হিংসাত্মক বিপ্লৱ আৰু ব্যক্তিগত স্বাধীনতাৰ সীমাবদ্ধতাৰ বাবে সাম্যবাদৰ সমালোচনা কৰিছিল। নেহৰুৰ সমাজবাদৰ সৈতেও লোহিয়াৰ মতানৈক্য আছিল। তেওঁৰ মতে নেহৰুবাদী সমাজবাদে বৃহৎ উদ্যোগ আৰু কেন্দ্রীয় পৰিকল্পনাৰ ওপৰত অত্যধিক নির্ভৰ কৰিছিল আৰু গ্রামভিত্তিক উন্নয়নক উপেক্ষা কৰিছিল। লোহিয়াই ইয়াৰ বিপৰীতে গাঁওকেন্দ্রিক উন্নয়ন আৰু বিকেন্দ্রীকৃত অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

## ১১.৪ লোহিয়াৰ আন্তঃৰাষ্ট্রীয় সমাজৰ ধাৰণা

ৰাম মনোহৰ লোহিয়াৰ আন্তঃৰাষ্ট্রীয় সমাজ সম্পর্কীয় ধাৰণাই তেওঁৰ মানৱতাবাদ, সমাজবাদ, সমতা আৰু শান্তিৰ প্রতি গভীৰ অঙ্গীকাৰ প্রতিফলিত কৰে। বিশ্ব ৰাজনীতিৰ প্রতি তেওঁৰ দৃষ্টিভংগী কেৱল ৰাজনৈতিক তত্ত্বৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা নাছিল; ৰৰঞ্চ ই গান্ধীয় নৈতিকতা আৰু সমাজবাদী পুনর্গঠনৰ সমন্বয়ে গঢ়ি উঠা এক নৈতিক আৰু দার্শনিক চিন্তাধাৰাৰ ফল আছিল। লোহিয়াৰ মতে আন্তঃৰাষ্ট্রীয় ৰাজনীতিক সামাজিক ন্যায়, অৰ্থনৈতিক সমতা আৰু নৈতিক দায়িত্বৰ পৰা পৃথক কৰি চাব নোৱাৰি। তেওঁ বিশ্বাস কৰিছিল যে আন্তঃৰাষ্ট্রীয় ব্যৱস্থাই যদি অসমতা আৰু আধিপত্যৰ সমস্যাসমূহ সমাধান নকৰে, তেন্তে বিশ্বশান্তি সদায় দুর্বল আৰু অসম্পূর্ণ হৈ থাকিব।

লোহিয়াই মহাত্মা গান্ধীৰ সৈতে একমত হৈছিল যে আন্তঃৰাষ্ট্রীয় ব্যৱস্থা মূলতঃ জাতি ৰাষ্ট্রসমূহৰ দ্বাৰা গঠিত, যিসমূহ আন্তঃৰাষ্ট্রীয় সমাজৰ মুখ্য অংশগ্রহণকাৰী হিচাপে কার্য কৰে যদিওবা তেওঁ পিছত এই ব্যৱস্থাক পর্যাপ্ত বা ন্যায়সংগত বুলি গণ্য কৰা নাছিল। তেওঁৰ মতে সার্বভৌম ৰাষ্ট্র ব্যৱস্থা অত্যন্ত স্তৰভিত্তিক আৰু আধিপত্যমূলক হৈ পৰিছিল, য'ত শক্তিশালী ৰাষ্ট্রসমূহে দুর্বল ৰাষ্ট্রসমূহক নিয়ন্ত্রণ কৰিছিল। এই অসমতাই বিশ্বত

সংঘাত, শোষণ আৰু অস্থিৰতাৰ মূল কাৰণ বুলি তেওঁ মত প্ৰকাশ কৰিছিল।

লোহিয়াই আন্তঃৰাষ্ট্ৰীয় সমাজক দুটা পৰস্পৰ-সম্পৰ্কিত অংশত বিভক্ত কৰি ব্যাখ্যা কৰিছিল—

ক) ৰাষ্ট্ৰসমূহ

খ) সমগ্ৰ মানৱজাতি

ৰাষ্ট্ৰৰ বাস্তৱতা স্বীকাৰ কৰাৰ লগতে লোহিয়াই এনে এখন ভৱিষ্যৎ কল্পনা কৰিছিল য'ত এই ৰাষ্ট্ৰসমূহ ধীৰে ধীৰে একত্ৰিত হৈ এক বিশ্ব ফেডাৰেল ব্যৱস্থা গঢ়ি তুলিব আৰু অৱশেষত মানৱজাতিৰ ৰাজনৈতিক ঐক্য প্ৰতিষ্ঠা হ'ব। এই ব্যৱস্থাত জাতীয় সাৰ্বভৌমত্ব বিলুপ্ত নহ'ব; ৰৰঞ্চ ই সহযোগিতা আৰু যৌথ শাসনৰ বৃহৎ বৈশ্বিক কাঠামোৰ ভিতৰত সংহত হ'ব। এই ধাৰণাই ইমানুৱেল কান্টৰ স্থায়ী শান্তি নিশ্চিত কৰাৰ বাবে স্বাধীন ৰাষ্ট্ৰসমূহৰ ফেডাৰেশ্যনৰ ধাৰণাৰ সৈতে সাদৃশ্য বহন কৰে। তথাপিও লোহিয়াৰ দৃষ্টিভংগী অধিক সামাজিক ভিত্তিত স্থাপিত আছিল। তেওঁ কেৱল ৰাষ্ট্ৰসমূহৰ মাজত শান্তি নহয়, ৰৰঞ্চ বিশ্বজুৰি সকলো মানুহৰ বাবে ন্যায়, সমতা আৰু যৌথ সমৃদ্ধি নিশ্চিত কৰিব বিচাৰিছিল।

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক সম্পৰ্কে লোহিয়াৰ চিন্তাধাৰাৰ এক গুৰুত্বপূৰ্ণ দিশ আছিল আধিপত্যবাদৰ সমালোচনা। তেওঁৰ মতে ইতিহাসজুৰি বিশ্ব দুটা ভাগত বিভক্ত হৈ আহিছে—

ক) আধিপত্যশালী শক্তি (প্ৰভাৱশালী ৰাষ্ট্ৰ)

খ) পৰিধীয় বা দুৰ্বল ৰাষ্ট্ৰসমূহ

তেওঁ লক্ষ্য কৰিছিল যে আন্তঃৰাষ্ট্ৰীয় ক্ষমতা চক্ৰাকাৰে এটাৰ পৰা আন এটালৈ স্থানান্তৰিত হৈ থাকে। কিন্তু আধিপত্যশালী শক্তিৰ এই পৰিৱৰ্তনে সকলো দেশৰ সমান উপকাৰ সাধন কৰিব নোৱাৰে। সম্পদ আৰু সমৃদ্ধি কিছুমান শক্তিশালী ৰাষ্ট্ৰৰ হাততেই কেন্দ্ৰীভূত হৈ থাকে, আনহাতে অধিকাংশ দেশ দাৰিদ্ৰ্য, অনুন্নয়ন আৰু শোষণৰ সমস্যাত জীয়াই থাকে। লোহিয়াৰ মতে এই আধিপত্যৰ চক্ৰ ভাঙি পেলোৱা অত্যাৱশ্যক; নহ'লে উন্নয়ন আৰু অগ্ৰগতিৰ সুফল সদায় সামৰিক, ভৌতিক আৰু অৰ্থনৈতিক শক্তিৰ জৰিয়তে অল্পসংখ্যক শক্তিশালী ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত থাকিব- যিয়ে কেতিয়াও প্ৰকৃত সমতা হোৱাত সম্পূৰ্ণ সহায় কৰিব নোৱাৰে।

লোহিয়া শীতল যুদ্ধৰ কঠোৰ সমালোচক আছিল, কাৰণ তেওঁৰ মতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট সংঘৰ মাজৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাই বিশ্বৰ অধিকাংশ জনসাধাৰণৰ বাস্তৱ সমস্যাসমূহৰ পৰা মনোযোগ আঁতৰাই লৈছিল। তেওঁৰ দৃষ্টিত এই দুটা মহাশক্তি মতাদৰ্শগত সংঘাত আৰু সামৰিক প্ৰতিযোগিতাত অধিক ব্যস্ত আছিল আৰু দুখীয়া তথা উন্নয়নশীল দেশসমূহে সম্মুখীন হোৱা দাৰিদ্ৰ্য, অসমতা আৰু সামাজিক অন্যায়ৰ সমস্যাসমূহৰ প্ৰতি যথেষ্ট মনোযোগ দিয়া হোৱা নাছিল। তেওঁ লগতে লক্ষ্য কৰিছিল যে বহু সৰু দেশক নিজৰ উন্নয়নৰ প্ৰয়োজন আৰু স্বতন্ত্ৰ অগ্ৰাধিকাৰৰ ক্ষতি কৰি এই দুটা শক্তি গোটৰ এটাৰ সৈতে নিজকে সংযুক্ত কৰিবলৈ বাধ্য কৰা হৈছিল। তেওঁৰ মতে এই শক্তি গোটসমূহ ভংগ নকৰালৈকে শান্তিপূৰ্ণ সহাৱস্থান সম্ভৱ নহয়। লোহিয়াৰ দৃষ্টিত শীতল যুদ্ধ আধিপত্যমূলক ৰাজনীতিয়ে বিশ্বৰ অধিকাংশ দেশৰ স্বাৰ্থ কেনেদৰে দমন কৰিছিল তাৰ এক স্পষ্ট উদাহৰণ আছিল। লোহিয়াই এই মত গ্ৰহণ কৰা নাছিল যে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক কেৱল কূটনীতি, চুক্তি আৰু কৌশলগত মৈত্ৰীৰ মাধ্যমেই পৰিচালিত হয়। তেওঁৰ মতে মানৱজাতিয়ে সম্মুখীন হোৱা সাধাৰণ সমস্যাসমূহ সমাধান কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক প্ৰকৃত ৰাজনৈতিক প্ৰক্ৰিয়া অস্তিত্ব লাভ কৰা উচিত। তেওঁৰ দৃষ্টিত আন্তঃৰাষ্ট্ৰীয় সমাজ কেৱল শক্তিৰ ৰাজনীতি বা শক্তিশালী ৰাষ্ট্ৰসমূহৰ আধিপত্যৰ দ্বাৰা পৰিচালিত হোৱা উচিত নহয়। ইয়াৰ পৰিৱৰ্তে বিশ্ব সমস্যাসমূহ ন্যায়সংগত আৰু সুসংগঠিতভাৱে সমাধান কৰিব পৰা প্ৰতিষ্ঠানিক আৰু ৰাজনৈতিক ব্যৱস্থা থাকিব লাগিব। তেওঁ জোৰ দি কৈছিল যে উন্নত আৰু উন্নয়নশীল দুয়ো ধৰণৰ দেশেই এনে প্ৰক্ৰিয়া আৰম্ভ কৰাত অংশগ্ৰহণ কৰা উচিত, যাতে দুৰ্বল দেশসমূহেও বিশ্ব ৰাজনীতিত অৰ্থপূৰ্ণ কণ্ঠ লাভ কৰিব পাৰে। লোহিয়াৰ মতে আন্তঃৰাষ্ট্ৰীয় শাসন ব্যৱস্থা অংশগ্ৰহণমূলক, অন্তৰ্ভুক্তিমূলক আৰু শক্তিৰ পৰিৱৰ্তে, ন্যায়ভিত্তিক হোৱা প্ৰয়োজন।

লোহিয়াই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিক বৈশ্বিক অৰ্থনৈতিক ব্যৱস্থাৰ সৈতে ঘনিষ্ঠভাৱে সংযুক্ত কৰি চাইছিল। তেওঁৰ মতে বিদ্যমান বৈশ্বিক অৰ্থনৈতিক ব্যৱস্থাই নিজেই অসমতা আৰু অন্যায়ক উৎসাহিত কৰে, কাৰণ সম্পদ আৰু সম্পত্তি কিছুমান উন্নত দেশৰ হাতত কেন্দ্ৰীভূত হৈ থাকে, আনহাতে বিশ্বৰ বহু দেশ নিৰ্ভৰশীল আৰু অনুন্নত হৈ থাকে। এই অসাম্য দূৰ কৰিবলৈ তেওঁ বিশ্ব অৰ্থনৈতিক ব্যৱস্থাৰ পুনঃসংগঠন আৰু পুনৰদিশ নিৰ্ধাৰণৰ আহ্বান জনাইছিল। তেওঁ সম্পদ আৰু সুযোগৰ ন্যায়সংগত বণ্টনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু উন্নয়নে যাতে অল্পসংখ্যক লোকৰ লাভৰ পৰিৱৰ্তে সকলো দেশৰ কল্যাণ সাধন কৰে সেয়া নিশ্চিত কৰাৰ কথা কৈছিল। সেয়েহে তেওঁৰ আন্তঃৰাষ্ট্ৰীয় সমাজৰ ধাৰণা কেৱল ৰাজনৈতিক সহযোগিতাত সীমাৱদ্ধ নাথাকি বৈশ্বিক পৰ্যায়ত অৰ্থনৈতিক ন্যায়কো অন্তৰ্ভুক্ত কৰিছিল।

ভৱিষ্যতৰ প্ৰতি দৃষ্টি ৰাখি লোহিয়াই ধীৰে ধীৰে এক বিশ্ব যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা গঢ়ি উঠাৰ কল্পনা কৰিছিল। তেওঁৰ মতে এনে এটা ব্যৱস্থাত ৰাষ্ট্ৰ-ৰাজ্যসমূহে নিজৰ সাংস্কৃতিক পৰিচয় অক্ষুণ্ণ ৰাখি এক সাধাৰণ কাঠামোৰ অধীনত সহযোগিতাৰে কাম কৰিব। তেওঁ বিশ্বাস কৰিছিল যে এনে ফেডাৰেল ব্যৱস্থাই যুদ্ধ আৰু সংঘাতৰ সম্ভাৱনা হ্ৰাস কৰিব, যৌথ সমৃদ্ধি বৃদ্ধি কৰিব আৰু সকলো জনগোষ্ঠীৰ ৰাজনৈতিক প্ৰতিনিধিত্ব নিশ্চিত কৰিব। এই ব্যৱস্থাই আধিপত্যমূলক শাসনৰ পৰিবৰ্তে সহযোগিতামূলক শাসন প্ৰতিষ্ঠা কৰিব আৰু ৰাষ্ট্ৰসমূহক সংকীৰ্ণ জাতীয়তাবাদৰ সীমানা অতিক্ৰম কৰি চিন্তা কৰিবলৈ উৎসাহিত কৰিব। এইদৰে সমতা আৰু ন্যায়ৰ ওপৰত ভিত্তি কৰা এক প্ৰকৃত আন্তঃৰাষ্ট্ৰীয় সমাজ গঢ়ি উঠিব পাৰে।

লোহিয়াৰ আন্তঃৰাষ্ট্ৰীয় চিন্তাধাৰাৰ কেন্দ্ৰবিন্দুত গভীৰ মানৱতাবোধ নিহিত আছে। তেওঁ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কক কেৱল চৰকাৰসমূহৰ মাজৰ সম্পৰ্ক হিচাপে নহয়, ৰৱঞ্চ সীমান্ত অতিক্ৰম কৰা মানুহৰ মাজৰ সম্পৰ্ক হিচাপে বিবেচনা কৰিছিল। তেওঁৰ দৃষ্টিভংগীয়ে মানৱ মৰ্যাদাৰ প্ৰতি সন্মান, বিভিন্ন ৰাষ্ট্ৰৰ মাজত ঐক্যবোধ আৰু শক্তিশালী দেশসমূহৰ দুৰ্বল দেশসমূহৰ প্ৰতি নৈতিক দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাজনীতিত এই নৈতিক দিশত গান্ধীয় প্ৰভাৱ স্পষ্টভাৱে প্ৰতিফলিত হয়, কাৰণ লোহিয়াই বিশ্বাস কৰিছিল যে বিশ্ব ৰাজনীতি নৈতিক নীতিৰ দ্বাৰা পৰিচালিত হোৱা উচিত।

আন্তঃৰাষ্ট্ৰীয় সমাজ সম্পৰ্কে লোহিয়াৰ ধাৰণাসমূহ আধুনিক বিশ্বতো অত্যন্ত প্ৰাসংগিক হৈ আছে। শক্তিশালী দেশসমূহৰ অব্যাহত আধিপত্য, উন্নত আৰু উন্নয়নশীল দেশসমূহৰ মাজৰ অৰ্থনৈতিক অসমতা আৰু জাতিসংঘ তথা বিশ্ব বাণিজ্য সংস্থাৰ দৰে বৈশ্বিক প্ৰতিষ্ঠানসমূহত সংস্কাৰৰ প্ৰয়োজনীয়তা তেওঁৰ উত্থাপিত চিন্তাসমূহৰ সৈতে সাদৃশ্য বহন কৰে। বৰ্তমান সময়ৰ বহু সংঘাত শক্তিৰ ৰাজনীতিৰ ফলত সৃষ্টি হোৱা দেখা গৈছে। সেয়েহে বৈশ্বিক সমতা, ৰাজনৈতিক সহযোগিতা আৰু নৈতিক আন্তঃৰাষ্ট্ৰীয়তাবাদৰ বাবে তেওঁৰ আহ্বানে আধুনিক বৈশ্বিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আজিও গুৰুত্বপূৰ্ণ দিশনিৰ্দেশনা আগবঢ়ায় ।

## ᴡ অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাম মনোহৰ লোহিয়াৰ দুটা মুখ্য গ্ৰন্থৰ নাম উল্লেখ কৰক।

প্ৰশ্ন নং ২ ঃ লোহিয়াৰ সপ্ত বিপ্লৱৰ ধাৰণাৰ দুটা গুৰুত্বপূৰ্ণ দিশ সংক্ষেপে লিখক।

প্ৰশ্ন নং ৩ ঃ সমাজবাদ সম্পৰ্কে লোহিয়াৰ মতামতৰ ওপৰত এটা টোকা লিখক।

প্ৰশ্ন নং ৪ ঃ লোহিয়াৰ মতে আন্তঃৰাষ্ট্ৰীয় সমাজৰ দুটা অংশ কি কি?

প্ৰশ্ন নং ৫ ঃ লোহিয়াই শীতল যুদ্ধৰ সমালোচনা কিয় কৰিছিল?

## 2 ১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাম মনোহৰ লোহিয়া আধুনিক ভাৰতীয় চিন্তাবিদসকলৰ ভিতৰত অন্যতম মৌলিক আৰু সৃষ্টিশীল চিন্তাবিদ আছিল। তেওঁক এজন বৌদ্ধিক, সমাজকর্মী আৰু তেওঁৰ সময়ৰ এজন বিশিষ্ট ৰাজনৈতিক নেতা হিচাপে বর্ণনা কৰিব পাৰি। স্বাধীনতাৰ আগতে আৰু পাছতে ভাৰতীয় ৰাজনীতিত তেওঁ গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। লোহিয়াৰ জন্ম ২৩ মার্চ ১৯১০ চনত উত্তৰ প্ৰদেশৰ আকবৰপুৰত হৈছিল আৰু ১১ অক্টোবৰ ১৯৬৭ চনত তেওঁ পৰলোকগামী হয়।
- তেওঁ মহাত্মা গান্ধী আৰু কার্ল মার্ক্সৰ চিন্তাধাৰাৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। লোহিয়া কেৱল এজন পণ্ডিতেই নহয়, বৰঞ্চ এজন সক্ৰিয় ৰাজনৈতিক অংশগ্ৰহণকাৰী আছিল। ইউৰোপত থকা সময়ছোৱাত তেওঁ "Association of European Indians" গঠন কৰিছিল। পাছত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে আৰু ১৯৩৪ চনত কংগ্ৰেছ সমাজবাদী পার্টি প্ৰতিষ্ঠাত গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰে। ১৯৩৬ চনত তেওঁ অল ইণ্ডিয়া কংগ্ৰেছ কমিটিৰ সম্পাদক হিচাপে নির্বাচিত হয়। ভাৰতীয় স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণৰ বাবে তেওঁ প্ৰায় বিশবাৰ কাৰাবাস ভোগ কৰিছিল।
- লোহিয়াৰ মতে ভাৰতত সমাজবাদ গান্ধীয় চিন্তাধাৰাৰ সৈতে ঘনিষ্ঠভাৱে সংযুক্ত আছিল। তেওঁ গান্ধীৰ নৈতিকতা, নীতি আৰু সংগ্ৰাম পদ্ধতিসমূহৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। তেওঁ সত্যাগ্ৰহ আৰু অসহযোগ আন্দোলনক গান্ধীৰ অনন্য অৱদান বুলি গণ্য কৰিছিল আৰু সমাজবাদক অধিক মানৱিক আৰু ফলপ্ৰসূ কৰিবলৈ গান্ধীবাদৰ সৈতে সমন্বয় কৰা উচিত বুলি লোহিয়াই যুক্তি আগবঢ়াইছিল। লোহিয়াৰ মতে সমাজবাদ পুঁজিবাদ বা সাম্যবাদতকৈ অধিক নতুন মতবাদ আৰু তেওঁ নতুন সমাজবাদ বাস্তৱায়নৰ বাবে "সপ্ত বিপ্লৱ" ধাৰণাৰ বিকাশ কৰিছিল।
- তেওঁ নিজৰ সমাজবাদী ধাৰণাক সর্বোদয় মতবাদৰ পৰা স্পষ্টভাৱে পৃথক কৰিছিল। কাৰণ তেওঁৰ মতে সর্বোদয়ে সামাজিক গঠনমূলক পৰিৱর্তনৰ প্ৰয়োজনীয়তাক যথেষ্ট গুৰুত্ব নিদিয়ে। লোহিয়া সাম্যবাদৰো সমালোচক আছিল, কাৰণ তেওঁৰ মতে ই অত্যধিক কেন্দ্ৰীভূত, হিংসাত্মক আৰু মানৱ স্বাধীনতা সীমাবদ্ধ কৰা স্বভাৱৰ।
- লোহিয়া একে সময়তে আদর্শবাদী আৰু মানৱতাবাদী চিন্তাবিদ আছিল। তেওঁৰ সমাজবাদী দৃষ্টিভংগীয়ে ভৌতিক সমস্যাৰ লগতে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধকো অন্তর্ভুক্ত কৰিছিল। তেওঁ নিজৰ চিন্তাধাৰা জাতীয় ৰাজনীতিৰ সীমা অতিক্ৰম কৰি আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰলৈ বিস্তাৰ কৰিছিল। লোহিয়াৰ মতে আন্তঃৰাষ্ট্ৰীয় সমাজ দুটা উপাদানৰে গঠিত— ৰাষ্ট্ৰ-ৰাজ্য আৰু সমগ্ৰ মানৱজাতি। তেওঁ এনে এখন ভৱিষ্যৎ কল্পনা কৰিছিল য'ত ৰাষ্ট্ৰসমূহ একত্ৰিত হৈ বিশ্ব ফেডাৰেল ব্যৱস্থা গঠন কৰি অৱশেষত সমগ্ৰ মানৱজাতিক এক ৰাজনৈতিক সমাজত একত্ৰিত কৰিব।
- ৰাম মনোহৰ লোহিয়া কেৱল এজন ৰাজনৈতিক নেতা আৰু বৌদ্ধিক ব্যক্তিয়েই নহয়, বৰঞ্চ এজন দূৰদর্শী চিন্তাবিদ আছিল। সমতা, উন্নয়ন, সমাজবাদ আৰু বিশ্ব সমাজৰ ধাৰণাৰ ওপৰত তেওঁৰ গুৰুত্ব আজিও অধিক ন্যায়সংগ।

## K ১১.৬ অগ্ৰগতিৰ খতিয়ান

**১ নম্বৰ প্ৰশ্নৰ উত্তৰ ঃ** India, China and Northern Frontiers; Marx, Gandhi and Socialism

**২ নম্বৰ প্ৰশ্নৰ উত্তৰ ঃ**

**(i) পুৰুষ আৰু নাৰীৰ মাজত সমতা ঃ** লোহিয়াই জীৱনৰ সকলো ক্ষেত্ৰ যেনে - সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিকত— নাৰীৰ সম অধিকাৰ, মর্যাদা আৰু সুযোগৰ দৃঢ় সমর্থন কৰিছিল। তেওঁৰ

মতে লিংগ বৈষম্য ভাৰতীয় সমাজত গভীৰভাৱে প্ৰোথিত আৰু ই উন্নয়নৰ এক গুৰুত্বপূৰ্ণ বাধা। তেওঁ যুক্তি দিছিল যে নাৰীসকল যদি অধীনস্থ অৱস্থাতেই থাকি যায়, তেন্তে কোনো সমাজক সভ্য বা গণতান্ত্ৰিক বুলি ক'ব নোৱাৰি। সেয়েহে নাৰীমুক্তি সামাজিক পৰিৱৰ্তনৰ এক অত্যাৱশ্যক চৰ্ত।

(ii) **জাতিভিত্তিক বৈষম্যৰ উচ্ছেদ ঃ** লোহিয়াই জাতি ব্যৱস্থাক ভাৰতীয় গণতন্ত্ৰ আৰু সামাজিক সমতাৰ অন্যতম বৃহৎ বাধা হিচাপে গণ্য কৰিছিল। তেওঁৰ মতে জাতিভিত্তিক শ্ৰেণীবিন্যাসে ব্যক্তিৰ মৰ্যাদা হৰণ কৰাৰ লগতে ঐক্যবদ্ধ সমাজ গঢ়ি উঠাত বাধা সৃষ্টি কৰে। লোহিয়াৰ মতে ভাৰতত জাতিভিত্তিক বৈষম্য দূৰ কৰাটো শ্ৰেণীসংগ্ৰামতকৈও অধিক জৰুৰী। সেয়েহে সমতা আৰু মানৰ মৰ্যাদা নিশ্চিত কৰিবলৈ জাতিভিত্তিক বিভাজনৰ সম্পূৰ্ণ উচ্ছেদৰ আহ্বান জনাইছিল।

**৩ নম্বৰ প্ৰশ্নৰ উত্তৰ ঃ** লোহিয়া বিকেন্দ্ৰীকৃত সমাজবাদ বা "নতুন সমাজবাদ"ৰ এজন দৃঢ় সমৰ্থক আছিল। তেওঁৰ গ্ৰন্থ Marx, Gandhi and Socialismত তেওঁ উল্লেখ কৰিছিল যে সমাজবাদী মতবাদক পুনৰ বিন্যাস কৰিব লাগিব, কাৰণ সকলো মানুহ কেৱল এখন দেশৰ ভিতৰতেই নহয়, বৰঞ্চ সকলো দেশৰ মাজতো সমান। তেওঁৰ মতে এই নীতি বাস্তৱায়িত হ'লে মানুহে কেৱল নিজৰ দেশতেই নহয়, বিশ্বজুৰি এক প্যঁনতম জীৱনমান বজাই ৰাখিবলৈ সক্ষম হ'ব।

লোহিয়াৰ মতে ভাৰতত সমাজবাদ গান্ধীৰ চিন্তা আৰু কাৰ্যকলাপৰ সৈতে স্বাভাৱিকভাৱে জড়িত। তেওঁ গান্ধীৰ নীতি, নৈতিকতা আৰু সংগ্ৰাম পদ্ধতিসমূহৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। "সত্যাগ্ৰহ" আৰু "অসহযোগ" আন্দোলনক তেওঁ গান্ধীৰ অনন্য অৱদান বুলি গণ্য কৰিছিল আৰু সমাজবাদক অধিক সমৃদ্ধ আৰু মানৱিক কৰিবলৈ গান্ধীবাদৰ সৈতে সমন্বয় কৰা উচিত বুলি মত প্ৰকাশ কৰিছিল।

গান্ধীয় চিন্তাধাৰাৰ পৰা অনুপ্ৰাণিত হৈ লোহিয়াই যুক্তি দিছিল যে সমাজবাদ কেৱল ভৌতিক লক্ষ্যৰ মাজতেই সীমাবদ্ধ নহয়; ই সমাজৰ পৰা দাৰিদ্ৰ্য আৰু অসমতা দূৰ কৰাৰ লগতে ব্যক্তিত্বৰ উন্নয়ন সাধন কৰাৰ সৈতে জড়িত। তেওঁ স্পষ্ট কৰিছিল যে আধ্যাত্মিকতা সমাজবাদৰ এটা অংশ মাত্ৰ, আৰু সমাজবাদ এক মতবাদ হিচাপে আধ্যাত্মিকতা আৰু ভৌতিকতাৰ সমন্বয়। অৰ্থাৎ সমাজবাদ ব্যক্তিগত আৰু সামাজিক-দুয়ো ধৰণৰ সংস্কাৰৰ সৈতে জড়িত। গিক হৈ আছে।

**৪ নম্বৰ প্ৰশ্নৰ উত্তৰ ঃ** লোহিয়াৰ মতে আন্তঃৰাষ্ট্ৰীয় সমাজ মূলতঃ দুটা অংশ বা উপাদানেৰে গঠিত—

(ক) ৰাষ্ট্ৰ-ৰাজ্যসমূহ

(খ) সমগ্ৰ মানৱজাতি

**৫ নম্বৰ প্ৰশ্নৰ উত্তৰ ঃ** লোহিয়া শীতল যুদ্ধৰ কঠোৰ সমালোচক আছিল, কাৰণ তেওঁৰ মতে যুক্তৰাষ্ট্ৰ আমেৰিকা আৰু ছোভিয়েট সংঘৰ মাজৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাই বিশ্বৰ অধিকাংশ জনসাধাৰণৰ বাস্তৱ সমস্যাসমূহৰ পৰা বিশ্বৰ মনোযোগ আঁতৰাই লৈছিল। তেওঁৰ দৃষ্টিত এই দুটা মহাশক্তি মতাদৰ্শগত সংঘাত আৰু সামৰিক প্ৰতিযোগিতাত অতিমাত্ৰা ব্যস্ত আছিল, যাৰ ফলত সৰু আৰু উন্নয়নশীল দেশসমূহে সম্মুখীন হোৱা দাৰিদ্ৰ্য, অসমতা আৰু সামাজিক অন্যায়ৰ দৰে গুৰুত্বপূৰ্ণ সমস্যাসমূহ উপেক্ষিত হৈ পৰিছিল। তেওঁ লক্ষ্য কৰিছিল যে বহু দেশক নিজৰ স্বাধীন উন্নয়ন নীতি আৰু অগ্ৰাধিকাৰৰ ক্ষতি কৰি এই দুটা শক্তি গোটৰ এটাৰ সৈতে সংযুক্ত হ'বলৈ বাধ্য কৰা হৈছিল। তেওঁৰ মতে এই শক্তি গোটসমূহ ভংগ নকৰালৈকে শান্তিপূৰ্ণ সহাৱস্থান সম্ভৱ নহয়। লোহিয়াৰ দৃষ্টিত শীতল যুদ্ধ আধিপত্যমূলক ৰাজনীতিয়ে অধিকাংশ ৰাষ্ট্ৰৰ স্বাৰ্থ কেনেদৰে দমন কৰিছিল তাৰ প্ৰতীক আছিল।

## M ১১.৭ আৰ্হি প্ৰশ্ন

**(ক) অতি চুটি প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** ৰাম মনোহৰ লোহিয়াই ৰচনা কৰা দুটা গুৰুত্বপূৰ্ণ গ্ৰন্থৰ নাম উল্লেখ কৰা।

**প্ৰশ্ন ২ ঃ** লোহিয়াই প্ৰযুক্তি আৰু যন্ত্ৰৰ ব্যৱহাৰৰ সম্পূৰ্ণ বিৰোধিতা কৰিছিলনে?

**(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** লোহিয়াৰ ওপৰত গান্ধীয় চিন্তাধাৰাৰ প্ৰভাৱ সম্পৰ্কে লিখা।

**প্ৰশ্ন ২ ঃ** লোহিয়াৰ সপ্ত বিপ্লৱৰ ধাৰণা ব্যাখ্যা কৰা।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** লোহিয়াৰ সমাজবাদ আৰু গান্ধীবাদ সম্পৰ্কীয় মতামত সমালোচনামূলকভাৱে পৰ্যালোচনা কৰা।

**প্ৰশ্ন ২ ঃ** লোহিয়াৰ আন্তঃৰাষ্ট্ৰীয় সমাজৰ ধাৰণা বৰ্ণনা কৰা।

**প্ৰশ্ন ৩ ঃ** ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত লোহিয়াৰ অৱদান আলোচনা কৰা।

**********